অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় মঙলবাৰ, ৬ জুন, ২০২৩ ২২ জেঠ, ১৯৪৫ শক

# প্লাষ্টিক প্ৰদূষণ ৰোধত গুৰুত্ব অধ্যক্ষ ড° ৰঞ্জন চাংমাইৰ

ডিব্ৰুগড়, ৫ জুনঃ ডিব্ৰু মহাবিদ্যালয়ৰ 'Eco Club'ৰ সৌজন্যত 'IIC, NSS, WWF আৰু IQAC'ৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰাংগণত 'বিশ্ব পৰিৱেশ' দিৱস উদ্‌যাপিত কৰা হয়। '২৩ বৰ্ষৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় বস্তু হৈছে— 'প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা'। মূল বিষয় বস্তুৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনে মহাবিদ্যালয়ৰ নিকটৱৰ্তী অঞ্চলৰ স্থানীয় বাসিন্দাসকলৰ লগত চৌপাশৰ পৰিৱেশ সম্পৰ্কীয় এটি মত-বিনিময় অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী হাতত লয়। অনুষ্ঠানটোৰ আঁত ধৰে উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ ভিভিয়ান শইকীয়াই। ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যশ ড০ ৰঞ্জন চাংমায়ে আদৰণি ভাষণত প্লাষ্টিক প্ৰদূষণ ৰোধ কৰিবৰ বাবে পদক্ষেপ ল'বলৈ মহাবিদ্যালয়ৰ শিক্ষকসকলক আহ্বান জনায়। উপাধ্যক্ষা চন্দনা গগৈ বাইদেউৱে পৰিৱেশ দিৱসৰ সন্দৰ্ভত বক্তব্য দাঙি ধৰে। 'বিশ্ব পৰিৱেশ দিৱস'ৰ প্ৰধান বিষয়বস্তুৰ ভিত্তিত এটি বক্তৃতা আগবঢ়ায় উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক প্ৰণৱ পালে। তেওঁ প্লাষ্টিকৰ ব্যৱহাৰ, উপকাৰিতা-অপকাৰিতা, কেনেকৈ প্লাষ্টিকৰ Recycle কৰি পুনৰ ব্যৱহৃত কৰিব পাৰি আৰু এই ক্ষেত্ৰত ডিব্ৰু মহাবিদ্যালয়ে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি এই বিষয়ে বিস্তাৰিতভাৱে বক্তৃতা দাঙি ধৰে। উক্ত অনুস্থানৰ লগত সংগতি ৰাখি এটি তাৎক্ষণিক কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। অনুষ্ঠানত আমন্ত্ৰিত নিকটৱৰ্তী অঞ্চলৰ স্থানীয় লোকসকলেও মহাবিদ্যালয়ৰ চৌপাশৰ পৰিৱেশটো কেনেকৈ সুস্থ-সবল কৰি প্ৰদূষণমুক্ত কৰি তুলিব পাৰি সেই বিষয়ত নিজৰ মত প্ৰকাশ কৰে। অনুস্থানটোৰ শেষৰ পৰ্যায়ত ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক দিগন্ত বড়োৰ পৰিৱেশৰ লগত সংগতি ৰাখি পৰিৱেশন কৰা সংগীতানুস্থানে অনুস্থানটো জীপাল কৰি তোলে। এটি সুন্দৰ আলোচনাৰ মাজেৰে অনুস্থাটোৰ অন্তিম পৰ্যায়ত উপনীত হয়। অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়াই জাতীয় সংগীতেৰে অনুষ্ঠানটোৰ সমাপ্তি কৰা হয়।